Teaching Material
Sub: Education
Paper: 2nd Sem (M) & 4th Sem (G)

**Q: Meaning and definition of Culture.**

**Ans:** সংস্কৃতি মানুহৰ সমাজ জীৱনৰ এক অন্যতম বৈশিষ্ট্য। মানুহ এক সংস্কৃতিক পৰিৱেশত জন্ম হয় আৰু সংস্কৃতিক পৰিৱেশতে বিকাশ প্ৰাপ্ত হয়। সংস্কৃতি এজন ব্যক্তিয়ে সামাজিক দলৰ দ্বাৰা লাভ কৰা সামাজিক বংশগতি। সংস্কৃতি হ'ল এটা জাতি বা সমাজৰ দ্বাৰা নিৰ্মিত উল্লেখনীয় কৃতিত্ব। সংস্কৃতি ধাৰণাটো অতি বহল। ইয়াৰ ইংৰাজী প্ৰতিশব্দ 'Culture' শব্দটো লেটিন ভাষাৰ 'Cultura' শব্দৰ পৰা আহিছে যাৰ অৰ্থ মাটি চহোৱা বা উন্নতি কৰা কাৰ্য। Culture শব্দটোৰ প্ৰকৃত অৰ্থ কৰ্ষণ কৰা অৰ্থাৎ কৰ্ষণৰ দ্বাৰা মাটিৰ মৌলিক গুণৰ উন্নতি সাধন কৰি শস্য উৎপাদন কৰিব পৰাকৈ প্ৰস্তুত কৰি লোৱা। এই দিশৰ পৰা সংস্কৃতি শব্দটো কৃষি কাৰ্যৰ লগত জড়িত আছিল। কিন্তু পিছলৈ এই শব্দটো শিক্ষাৰ দ্বাৰা পৰিমাৰ্জিত বা পৰিশোধিত আচাৰ-আচৰণ-ব্যৱহাৰৰ অৰ্থত ব্যৱহাৰ কৰা হয়। এডৱাৰ্ড টেইলৰে তেওঁৰ "Primitive Culture" নামৰ গ্ৰন্থখনত সংস্কৃতিৰ এক বহল দৃষ্টিভংগীৰে ব্যাখ্যা দাঙি ধৰিছে।

মানুহ সমাজপ্ৰিয় জীৱ আৰু সংস্কৃতি হৈছে সামাজিক উত্তৰাধিকাৰ। মানুহৰ ভাব-চিন্তা, ক্ৰিয়া আচৰণ, জীৱনদৰ্শন আদি সকলো দিশৰ সমন্বয়ত সংস্কৃতি গঠিত হয়। সমাজৰ ভাষা-সাহিত্য, ৰীতি-নীতি, মূল্যবোধ, ধৰ্ম লোকৰীতি, লোকাচাৰ; আইন কানুন, প্ৰযুক্তিসমূহ, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি সকলো দিশ সংস্কৃতিৰ অন্তৰ্ভুক্ত। সমাজত জড়িত হৈ থকা মানুহৰ দ্বাৰা অৰ্জিত দক্ষতা আৰু অভ্যাসৰ জটিল সমষ্টিয়েই হ'ল সংস্কৃতি। ই সমাজৰ বস্তুগত আৰু অবস্তুগত দুয়োটা দিশকে অন্তৰ্ভুক্ত বিষয়। সংস্কৃতি এক ধাৰাবাহিক, পৰিৱৰ্তনশীল তথা বিকাশশীল প্ৰক্ৰিয়া যি কেতিয়াও স্থবিৰ নহয়।

Scanned by CamScanner